NEWZ NOW

সংখ্যা ২৫ | বুধবাৰ, ১৮ নৱেম্বৰ ২০২৬ | অসমৰ ডিজিটেল বাতৰি কাকত

আন্তঃৰাষ্ট্ৰীয়

'ভাৰত বিৰোধী প্ৰচাৰৰ নেতা' আখ্যাৰে ৰাহুল গান্ধীক BJPৰ সমালোচনা, কলম্বিয়া বিশ্ববিদ্যালয়ত কৰা মন্তব্যক লৈ বিতৰ্ক

কলম্বিয়া বিশ্ববিদ্যালয়ত ভাৰতৰ অৰ্থনীতি সন্দৰ্ভত ৰাহুল গান্ধীৰ মন্তব্যক 'ভাৰতবিৰোধী প্ৰচাৰ' বুলি সমালোচনা কৰিছে বিজেপিয়ে।



NewzNow ডেস্ক | ১৮ নৱেম্বৰ ২০২৬, নিশা ৮:২৩

নতুন দিল্লী, ১৮ নৱেম্বৰ: আমেৰিকাৰ কলম্বিয়া বিশ্ববিদ্যালয়ত ভাৰতৰ অৰ্থনীতি সন্দৰ্ভত কৰা মন্তব্যক কেন্দ্ৰ কৰি কংগ্ৰেছ নেতা তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীক তীব্ৰ সমালোচনা কৰিছে বিজেপিয়ে। ৰাহুল গান্ধীক 'ভাৰতবিৰোধী প্ৰচাৰৰ নেতা' আখ্যা দি বিদেশৰ মাটিত দেশৰ বিষয়ে নেতিবাচক বক্তব্য দিয়াৰ অভিযোগ উত্থাপন কৰিছে শাসকীয় দলটোৱে।

১৭ নৱেম্বৰত নিউয়ৰ্কৰ কলম্বিয়া বিশ্ববিদ্যালয়ত সাংবাদিক লিডিয়া প'লগ্ৰেনৰ সৈতে অনুষ্ঠিত এক মত-বিনিময় অনুষ্ঠানত ৰাহুল গান্ধীয়ে ভাৰতৰ অৰ্থনৈতিক পৰিস্থিতিক 'অৰ্থনৈতিক বিপৰ্যয়' বুলি অভিহিত কৰে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4287

অসম

ৰাজ্যজুৰি অনুৰাগীৰ মাজত জুবিন গাৰ্গৰ জন্মদিন উদযাপন, সোণাপুৰৰ জুবিন ক্ষেত্ৰতো স্মৰণ



পঢ়ক: https://newznow.in/news/4053

অসম

'জন্মদিনত জুবিন ক্ষেত্ৰত নহ'ল কোনো চৰকাৰী আয়োজন, এয়া দুৰ্ভাগ্যজনক,গৰিহণাযোগ্য' - উৎপল শৰ্মা



পঢ়ক: https://newznow.in/news/4080

অসম

জুবিন ক্ষেত্ৰৰ প্ৰথম পৰ্যায়ৰ কাম বাবে ১৫ কোটি অনুমোদন মুখ্যমন্ত্ৰীৰ, কোকৰাঝাৰৰ জুবিন পাৰ্কৰ বাবে ৩০ কোটি টকাৰ আবণ্টন হাগ্ৰামাৰ



পঢ়ক: https://newznow.in/news/4125

দেশ

দিল্লীৰ প্ৰতিবাদ সন্দৰ্ভত কংগ্ৰেছসহ চাৰি সংগঠনলৈ সৰ্বোচ্চ ন্যায়ালয়ৰ জাননী



পঢ়ক: https://newznow.in/news/4211

আন্তঃৰাষ্ট্ৰীয়

ইজৰাইলৰ সৈতে ১,৯৭৬.৪০ কোটি টকাৰ ভাৰতীয় নৌসেনাৰ প্ৰতিৰক্ষা চুক্তি

NewzNow ডেস্ক | ১৮ নৱেম্বৰ ২০২৬, নিশা ৮:২১



নতুন দিল্লী, ১৮ নৱেম্বৰ: ভাৰতীয় নৌসেনাৰ যুদ্ধজাহাজসমূহৰ আকাশী প্ৰতিৰক্ষা ব্যৱস্থা অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে ইজৰাইলৰ সৈতে ১,৯৭৬.৪০ কোটি টকাৰ প্ৰতিৰক্ষা চুক্তি স্বাক্ষৰ কৰিছে ভাৰতৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে।

ইজৰাইল এৰোস্পেছ ইণ্ডাষ্ট্ৰিজৰ সৈতে এই চুক্তিখন ১৮ নৱেম্বৰত নতুন দিল্লীত স্বাক্ষৰিত হয়। প্ৰতিৰক্ষা সচিব ৰাজেশ কুমাৰ সিঙৰ উপস্থিতিত চুক্তিখন স্বাক্ষৰ কৰা হয়।

চুক্তিখনৰ অধীনত ভাৰতীয় নৌসেনাৰ যুদ্ধজাহাজত স্থাপন কৰা বৰাক পইণ্ট ডিফেন্স মিছাইল ব্যৱস্থাৰ উন্নীতকৰণ কৰা হ'ব।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4284

দেশ

ভিৰ নিয়ন্ত্ৰণত মহিলাক কেৰল মহিলা আৰক্ষীয়ে চম্ভালিব লাগিব বুলি বাধ্যবাধকতা নাই: দিল্লী আৰক্ষী

NewzNow ডেস্ক | ১৮ নৱেম্বৰ ২০২৬, নিশা ৭:৫৯



নতুন দিল্লী, ১৮ নৱেম্বৰ: ভিৰ নিয়ন্ত্ৰণৰ অভিযানৰ সময়ত মহিলা প্ৰতিবাদকাৰী বা আন মহিলাক কেৰল মহিলা আৰক্ষী বিষয়াইহে চম্ভালিব লাগিব বুলি কোনো আইনী বাধ্যবাধকতা নাই বুলি উচ্চতম ন্যায়ালয়ত দাখিল কৰা শপতনামাত স্পষ্ট কৰিছে দিল্লী আৰক্ষীয়ে।


মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত অনুষ্ঠিত প্ৰতিবাদৰ সময়ত মহিলা প্ৰতিবাদকাৰী আৰু মহিলা...

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4268

দেশ

ধৰ্মীয় অনুষ্ঠানত পশু বলি বন্ধৰ আবেদন খাৰিজ সৰ্বোচ্চ ন্যায়ালয়ৰ

শাহ আলম | ১৮ নৱেম্বৰ ২০২৬, আবেলি ৬:২৬



নতুন দিল্লী, ১৮ নৱেম্বৰ: ধৰ্মীয় আচাৰ-অনুষ্ঠানৰ নামত পশু হত্যা বন্ধ কৰাৰ দাবীত দাখিল কৰা আবেদন খাৰিজ কৰিছে সৰ্বোচ্চ ন্যায়ালয়ে।

বুধবাৰে ন্যায়াধীশ বিক্ৰম নাথ, আৰ. মহাদেৱন আৰু অপৰেশ কুমাৰ সিঙৰ বিচাৰপীঠে আবেদনকাৰীৰ যুক্তি শুনাৰ পিছত এই সিদ্ধান্ত গ্ৰহণ কৰে।

অধিবক্তা শ্ৰুতি বিষ্টে দাখিল কৰা আবেদনখনত ১৯৬০ চনৰ পশুৰ প্ৰতি নিষ্ঠুৰতা প্ৰতিৰোধ আইনখনৰ সংশ্লিষ্ট বিধান সংশোধনৰ নিৰ্দেশ বিচৰা হৈছিল। আইনখনত ধৰ্মীয় আচাৰ-অনুষ্ঠান বা পৰম্পৰাৰ অংশ হিচাপে পশু হত্যা কৰাৰ ক্ষেত্ৰত বিশেষ ৰেহাইৰ ব্যৱস্থা আছে।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4220

ৰাজনীতি

অন্তৰ্বৰ্তীকালীন জামিন লাভৰ পিছতে কাৰাগাৰৰ পৰা ওলাল আজম খান

NewzNow ডেস্ক | ১৮ নৱেম্বৰ ২০২৬, আবেলি ৬:৫৭



সমাজবাদী পাৰ্টিৰ জ্যেষ্ঠ নেতা আজম খানে অৱশেষত গাজিয়াবাদৰ দাসনা কাৰাগাৰৰ পৰা মুক্তি লাভ কৰিছে।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4240

দেশ

বার্ড ফ্লুৰ আশংকাত নামাক্কালৰ কণী ৰপ্তানিত মন্দাৱস্থা

NewzNow ডেস্ক | ১৮ নৱেম্বৰ ২০২৬, নিশা ৭:৪৬



নামাক্কাল, ১৮ নৱেম্বৰ: বার্ড ফ্লুৰ প্ৰভাৱত তামিলনাড়ুৰ নামাক্কালৰ কণী উদ্যোগত গভীৰ সংকটৰ সৃষ্টি হৈছে। ভাৰতৰ অন্যতম বৃহৎ পোল্ট্ৰী উৎপাদন কেন্দ্ৰ হিচাপে পৰিচিত নামাক্কালৰ পৰা কণী আমদানিৰ অৰ্ডাৰ বাতিল কৰিছে কেইবাখনো দেশৰ আমদানিকাৰীয়ে।

সংযুক্ত আৰব আমিৰখাহী, ওমান আৰু দক্ষিণ আফ্ৰিকাৰ আমদানিকাৰীয়ে পূৰ্বে দিয়া কণীৰ অৰ্ডাৰ বাতিল কৰিছে। নামাক্কালত বার্ড ফ্লু বিয়পি পৰাৰ খবৰ ওলোৱাৰ পাছতে বিভিন্ন দেশে অঞ্চলটোৰ পৰা কণী আমদানি কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰিছে বুলি জানিব পৰা গৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4271

অসম

'জুবিন আমাৰ মাজতেই আছে', জন্মদিনত শিল্পীগৰাকীক স্মৰণ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শর্মাৰ

NewzNow ডেস্ক | ১৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:২৬



গুৱাহাটী, ১৮ নৱেম্বৰ: অসমবাসীৰ প্ৰাণৰ শিল্পী জুবিন গার্গৰ জন্মদিন উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শর্মাই শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে।

সামাজিক মাধ্যমত মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে জুবিনৰ অনন্য সংগীত, কণ্ঠ, হৃদয়স্পৰ্শী সৃষ্টি আৰু ব্যক্তিত্বই...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4073

অসম

জুবিন গার্গৰ ছবি আঁকিবলৈ গৈ পুনৰ আটক চিত্ৰশিল্পী মার্চেল বৰুৱা

NewzNow ডেস্ক | ১৮ নৱেম্বৰ ২০২৬, পুৱা ১১:৪০



গুৱাহাটী, ১৮ নৱেম্বৰ:

দিছপুৰ আৰক্ষীয়ে গণেশগুৰি উৰণ সেতু তলৰ পৰা আটক কৰিলে মার্চেল বৰুৱাক, দিছপুৰ আৰক্ষীয়ে চিত্ৰশিল্পী মার্শেল বৰুৱাক কৰিলে আটক।

গণেশগুৰি উৰণ সেতুৰ তলত জুবিন গার্গৰ অসম্পূৰ্ণ প্ৰতিচ্ছবি সম্পূৰ্ণ কৰিবলৈ যাওঁতে চিত্ৰশিল্পী মার্চেল বৰুৱাক দিছপুৰ আৰক্ষীয়ে আটক কৰিছে বুলি অভিযোগ উঠিছে। ছবি অংকনৰ কামত সহযোগিতা কৰিবলৈ যোৱা চালকজন আৰু তিনিজন শ্ৰমিককো আটক কৰি দিছপুৰ থানালৈ লৈ যোৱা হৈছে বুলি জনা গৈছে।

গণেশগুৰি উৰণ সেতুৰ খুঁটাৰ তলত দেৱাল অংকনৰ ওপৰত প্ৰশাসনে নিষেধাজ্ঞা আৰোপ কৰি থকাৰ বাবেই আৰক্ষীয়ে এই পদক্ষেপ লয় বুলি জনা গৈছে। বৰুৱাই তাত থকা জুবিন গার্গৰ পূৰ্বৰ অসম্পূৰ্ণ প্ৰতিচ্ছবিখন সম্পূৰ্ণ কৰিবলৈ গৈছিল।

চিত্ৰশিল্পীগৰাকীৰ অভিযোগ অনুসৰি, ছবি অংকনৰ বাবে জখলা আনিবলৈ যোৱা চালকজন আৰু তিনিজন শ্ৰমিককো আৰক্ষীয়ে আটক কৰে। বাঁহ আৰু অন্যান্য সা-সামগ্ৰী কঢ়িয়াই অনা বাহনখনো জব্দ কৰা হৈছে বুলি তেওঁ অভিযোগ কৰে।

পূৰ্বেও ছবি অংকনৰ সময়ত আৰক্ষীয়ে তেওঁক প্ৰায় তিনি ঘণ্টা আঁতৰাই ৰাখিছিল বুলি বৰুৱাই দাবী কৰে। সেই সময়ত সা-সঁজুলি সংগ্ৰহ কৰাত অসুবিধাৰ সৃষ্টি হৈছিল বুলিও তেওঁ জনায়।

বৰুৱাৰ মতে, এই বিষয়ত তেওঁ প্ৰশাসনক আগতীয়াকৈ অৱগত কৰিছিল। যোৱা ১৬ নৱেম্বৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শর্মালৈ এখন মুকলি চিঠি লিখি প্ৰতিচ্ছবিখন সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত সহযোগিতা বিচাৰিছিল বুলিও তেওঁ কয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4032

অসম

'সি পুনৰ আমাৰ মাজলৈ উভতি আহক' - জুবিনৰ জন্মদিনত আবেগিক পিতৃ কপিল বৰঠাকুৰ

শ্বাহ আলম | ১৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:০৩



গুৱাহাটী, ১৮ নৱেম্বৰ: প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৫৪ সংখ্যক জন্মদিনত আবেগিক হৈ পৰিল পিতৃ কপিল বৰঠাকুৰ। পুত্ৰৰ জন্মদিনৰ দিনটোত স্মৃতি আৰু আবেগেৰে ভৰা কণ্ঠেৰে তেওঁ ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাই কয়।

জুবিনৰ জন্মদিন উপলক্ষে শিল্পীগৰাকীৰ প্ৰতি অসমবাসীয়ে দেখুওৱা মৰম আৰু ভালপোৱাৰ বাবে কপিল বৰঠাকুৰে কৃতজ্ঞতা প্ৰকাশ কৰে। জুবিনৰ প্ৰতি ৰাইজৰ এই অকৃত্ৰিম মৰম যেন সদায় অটুট থাকে, তাৰেই কামনা কৰে তেওঁ।

পুত্ৰক হেৰুৱাৰ বেদনাৰ মাজতো জুবিনৰ জন্মদিনত অনুৰাগী আৰু ৰাইজে দেখুওৱা মৰমে পৰিয়ালটোক আবেগিক কৰি তুলিছে। জুবিনৰ প্ৰতি মানুহৰ এই ভালপোৱা আৰু শ্ৰদ্ধা অব্যাহত থাকক, সকলোৱে তেওঁক সদায় মৰম কৰি থাকক বুলিও কপিল বৰঠাকুৰে কামনা প্ৰকাশ কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4089

অসম

'জুবিনদাই সুন্দৰৰ পূজাৰী আৰু জাতীয় চেতনা হৈ আমাৰ মাজত জীয়াই থাকক' - ভগ্নী পামী বৰঠাকুৰ

শ্বাহ আলম | ১৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:২৮



গুৱাহাটী, ১৮ নৱেম্বৰ: প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ জন্মদিন উপলক্ষে তেওঁৰ স্মৃতি, আদৰ্শ আৰু সৃষ্টিৰাজি জীয়াই ৰখাৰ আহ্বান জনাইছে ভগ্নী পামী বৰঠাকুৰে। কেৱল জন্মদিন উদযাপনৰ মাজতে সীমাবদ্ধ নাথাকি জুবিন গাৰ্গৰ চিন্তা, অৱদান আৰু জীৱনবোধৰ প্ৰতিটো দিশ চৰ্চা কৰি তেওঁক নতুন প্ৰজন্মৰ মাজত জীয়াই ৰখাৰ প্ৰয়োজন বুলি তেওঁ উল্লেখ কৰে। জুবিন গাৰ্গৰ জীৱনৰ বিভিন্ন দিশ, চিন্তা-চৰ্চা আৰু অৱদানক লৈ আলোচনা অব্যাহত থাকিলেহে তেওঁৰ স্মৃতি আৰু আদৰ্শ প্ৰজন্মৰ পাছত প্ৰজন্মলৈ আগবাঢ়ি যাব বুলি পামী বৰঠাকুৰে কয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4101

অসম

'জুবিন গাৰ্গে ন্যায় পাবই লাগিব, ন্যায় নোপোৱালৈকে ক্ষান্ত নহওঁ' - সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য

NewzNow ডেস্ক | ১৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:১৮



গুৱাহাটী, ১৮ নৱেম্বৰ: জুবিন গাৰ্গৰ জন্মদিনত শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ ন্যায় বিচাৰি পুনৰ সৰৱ হৈ উঠিছে সদৌ অসম ছাত্ৰ সন্থা চমুকৈ আছু।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4094

অসম

জুবিন গাৰ্গৰ জন্মদিনৰ অনুষ্ঠানত অংশ ল'বলৈ ডিব্ৰুগড়ত কুণাল গাঞ্জেৰালা

NewzNow ডেস্ক | ১৮ নৱেম্বৰ ২০২৬, আবেলি ৪:০৫



ডিব্ৰুগড়, ১৮ নৱেম্বৰ:

জুবিন গাৰ্গৰ জন্মদিনৰ অনুষ্ঠানত অংশ ল'বলৈ ডিব্ৰুগড়ত কুণাল গাঞ্জেৰালা।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4141

অসম

মার্চেল বৰুৱাক আটক জুবিনৰ প্ৰতি অসন্মান আৰু অশ্ৰদ্ধাৰ নিদৰ্শন: বিদ্যুৎ শইকীয়া

শ্বাহ আলম | ১৮ নৱেম্বৰ ২০২৬, আবেলি ৪:৩৯



কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সাধাৰণ সম্পাদক বিদ্যুৎ শইকীয়াই চিত্ৰশিল্পী মার্চেল বৰুৱাক আটক কৰাৰ ঘটনাক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। জুবিন গার্গৰ জন্মদিনত আধৰুৱা ছবি সম্পূৰ্ণ কৰিবলৈ যোৱাৰ সময়তে চিত্ৰশিল্পীগৰাকীক আটক কৰা ঘটনাক তেওঁ জুবিনৰ প্ৰতি অসন্মান আৰু অশ্ৰদ্ধাৰ নিদৰ্শন বুলি অভিহিত কৰে।

শইকীয়াই অভিযোগ কৰে যে জুবিন গার্গ জীয়াই থকাৰ সময়তো একাংশ লোকৰ বাবে অসুবিধাৰ কাৰণ হৈ পৰিছিল। সেই কাৰণেই তেওঁক ছিংগাপুৰত হত্যা কৰা হৈছিল বুলিও তেওঁ মন্তব্য কৰে।

বাকী অংশ ৱেবছাইটত

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4169

অসম

কংগ্ৰেছৰ আত্মজীৱনীমূলক কিতাপ পঢ়িলেও পাপ লাগিবঃ ভৰেশ কলিতা

মইনুল হক | ১৮ নৱেম্বৰ ২০২৬, নিশা ৮:০৭



ৰঙিয়া: কংগ্ৰেছ দলক লৈ পুনৰ সৰৱ হৈ পৰিছে ৰঙিয়াৰ বিধায়ক ভৰেশ কলিতা। কংগ্ৰেছক দেশ ধ্বংসকাৰী আখ্যা দি দলটোৰ বিৰুদ্ধে তীব্ৰ ভাষাৰে সমালোচনা কৰে বিধায়কগৰাকীয়ে।

বাকী অংশ ৱেবছাইটত

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4277

অসম

নৱমৰ পৰা উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পাঠ্যপুথিত অন্তৰ্ভুক্ত জুবিন গার্গৰ জীৱন-কাহিনী

NewzNow ডেস্ক | ১৮ নৱেম্বৰ ২০২৬, নিশা ৭:৩৭



গুৱাহাটী, ১৮ নৱেম্বৰ: অসমৰ প্ৰয়াত জনপ্ৰিয় শিল্পী জুবিন গার্গৰ জীৱন-কাহিনী ৰাজ্যৰ নৱম, দশম আৰু উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পাঠ্যপুথিত অন্তৰ্ভুক্ত কৰা হৈছে। শিল্পীগৰাকীৰ জন্মবার্ষিকী উপলক্ষে এই কথা জনাইছে বিজেপি অসম প্ৰদেশৰ সভাপতি দিলীপ শইকীয়াই।

জুবিন গার্গৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি শইকীয়াই কয় যে, শিল্পীগৰাকী শাৰীৰিকভাৱে আমাৰ মাজত নাথাকিলেও তেওঁৰ সংগীত আৰু অসমীয়া সংস্কৃতিলৈ আগবঢ়োৱা অসাধাৰণ অৱদানে তেওঁক জনসাধাৰণৰ হৃদয়ত অমৰ কৰি ৰাখিছে।

শইকীয়াই জনোৱা মতে, পাঠ্যপুথিত জীৱন-কাহিনী অন্তৰ্ভুক্ত কৰাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে জুবিন গার্গৰ জীৱন-যাত্ৰা, সৃষ্টিশীল অৱদান আৰু অসমীয়া সমাজৰ ওপৰত তেওঁৰ প্ৰভাৱৰ বিষয়ে জানিব পাৰিব।

তেওঁ লগতে কয় যে, জুবিন গার্গৰ প্ৰথম মৃত্যু-বার্ষিকী উপলক্ষে ২০২৬ চনৰ ১৯ ছেপ্টেম্বৰত বিজেপি অসম প্ৰদেশে ৰাজ্যজুৰি আয়োজন কৰা ৰক্তদান শিবিৰসমূহৰ জৰিয়তে মুঠ ১,৮৬৯ ইউনিট ৰক্ত সংগ্ৰহ কৰা হৈছিল। ইয়াৰে গুৱাহাটীৰ অটল বিহাৰী বাজপেয়ী ভৱনত ১১৬ ইউনিট ৰক্ত সংগ্ৰহ কৰা হয়।

জুবিন গার্গৰ স্মৃতি সংৰক্ষণৰ বাবে অসম চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ কথা উল্লেখ কৰি শইকীয়াই জনায় যে, পৰিয়ালৰ সদস্য আৰু বিশিষ্ট সাংস্কৃতিক ব্যক্তিসকলৰ সৈতে আলোচনা কৰি সোণাপুৰত স্থায়ী সমাধিক্ষেত্ৰ নির্মাণৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। শিল্পীগৰাকীৰ অৱদান আৰু আদর্শ পৰৱর্তী প্ৰজন্মলৈ লৈ যাবলৈ কেৱল স্মৃতিচাৰণ অনুষ্ঠানতে সীমাবদ্ধ নাথাকি অসমীয়া ভাষা, সংগীত আৰু সংস্কৃতিৰ প্ৰসাৰৰ বাবে ধাৰাবাহিক পদক্ষেপ গ্ৰহণৰ প্ৰয়োজন বুলিও তেওঁ উল্লেখ কৰে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4260

দেশ

ভাৰত মণ্ডপমত প্ৰায় চাৰে তিনি ঘণ্টা ধৰি মোদীৰ বৈঠক, মন্ত্ৰীসকলক দিলে কেইবাটাও গুৰুত্বপূৰ্ণ নিৰ্দেশ

NewzNow ডেস্ক | ১৮ নৱেম্বৰ ২০২৬, নিশা ৭:২৪



নতুন দিল্লী, ১৮ নৱেম্বৰ: প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত বুধবাৰে দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত কেন্দ্ৰীয় মন্ত্ৰী পৰিষদৰ বৈঠক প্ৰায় চাৰে তিনি ঘণ্টা ধৰি চলে। বৈঠকত চৰকাৰৰ বিভিন্ন আঁচনিৰ অগ্ৰগতি, অসমাপ্ত কাম, ভৱিষ্যৎ পৰিকল্পনা আৰু চৰকাৰৰ প্ৰধান অগ্ৰাধিকাৰৰ বিষয়সমূহৰ ওপৰত বিস্তৃত আলোচনা হয়।

ফিলিপাইনছৰ ৰাজধানী মেনিলাত অনুষ্ঠিত ৪৯সংখ্যক ASEAN সম্মিলনত অংশগ্ৰহণ কৰি দেশলৈ উভতি অহাৰ পিছতে প্ৰধানমন্ত্ৰী মোদীয়ে এই বৈঠকত মিলিত হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4250

আন্তঃৰাষ্ট্ৰীয়

হৰমুজ প্ৰণালীত এলপিজি টেংকাৰত আক্ৰমণ, সন্ধানহীন এজন ভাৰতীয়

NewzNow ডেস্ক | ১৮ নৱেম্বৰ ২০২৬, আবেলি ৬:৫৪



নতুন দিল্লী, ১৮ নৱেম্বৰ: পশ্চিম এছিয়াৰ হৰমুজ প্ৰণালীত পানামাৰ পতাকাবাহী এলপিজি টেংকাৰ এম টি তাৰা গেছত হোৱা আক্ৰমণত এজন ভাৰতীয় নাগৰিক সন্ধানহীন হৈছে। ঘটনাটোত আন দুজন ভাৰতীয় কৰ্মচাৰী আহত হৈছে।

১৬ নৱেম্বৰত সংঘটিত এই আক্ৰমণৰ সময়ত জাহাজখনত মুঠ ২৪জন ভাৰতীয় নাগৰিক আছিল বুলি বিদেশ মন্ত্ৰালয়ে জনাইছে। ইয়াৰে ২১জনক সুৰক্ষিতভাৱে উদ্ধাৰ কৰি ওমানৰ খাছাব বন্দৰলৈ স্থানান্তৰ কৰা হৈছে।

আহত দুজন ভাৰতীয় কৰ্মচাৰীক চিকিৎসাৰ বাবে চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4228

দেশ

এয়াৰ ইণ্ডিয়া AI-171 দুৰ্ঘটনাৰ তদন্ত প্ৰায় সম্পূৰ্ণ, চূড়ান্ত প্ৰতিবেদন প্ৰকাশৰ বাবে আৰু ২-৩ সপ্তাহ বিচাৰিলে কেন্দ্ৰই

NewzNow ডেস্ক | ১৮ নৱেম্বৰ ২০২৬, নিশা ৭:০৫



নতুন দিল্লী, ১৮ নৱেম্বৰ: ২০২৫ চনৰ ১২ জুনত আহমেদাবাদত সংঘটিত এয়াৰ ইণ্ডিয়াৰ এআই-১৭১ বিমান দুৰ্ঘটনাৰ তদন্ত প্ৰায় অন্তিম পৰ্যায়ত উপনীত হৈছে বুলি কেন্দ্ৰীয় চৰকাৰে সৰ্বোচ্চ ন্যায়ালয়ত জনাইছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4244

আন্তঃৰাষ্ট্ৰীয়

চীনত কৰমৰ্দন ট্ৰাম্প-পুটিনৰ, বৃহস্পতিবাৰে ত্ৰিপাক্ষিক বৈঠক

NewzNow ডেস্ক | ১৮ নৱেম্বৰ ২০২৬, আবেলি ৬:৩৫



শ্বেনঝেন, ১৮ নৱেম্বৰ: এছিয়া-পেচিফিক অঞ্চলৰ নেতাসকলৰ সম্মিলন উপলক্ষে চীনৰ শ্বেনঝেনত একত্ৰিত হৈছে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প, ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিন আৰু চীনৰ ৰাষ্ট্ৰপতি ছি জিনপিং। বুধবাৰে ট্ৰাম্প আৰু পুটিনৰ মাজত এবছৰৰো অধিক সময়ৰ পাছত প্ৰথমবাৰৰ বাবে সাক্ষাৎ হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4224

দেশ

ছোনিয়া গান্ধীৰ গ্ৰন্থত বীৰ সাভাৰকাৰ সম্পৰ্কে কৰা মন্তব্যৰ আপত্তি; প্ৰতিবাদ শিৱসেনাৰ

NewzNow ডেস্ক | ১৮ নৱেম্বৰ ২০২৬, আবেলি ৬:০১



মুম্বাই, ১৮ নৱেম্বৰ: কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধীৰ আত্মজীৱনীমূলক গ্ৰন্থ 'বিলঙিং: এ জাৰ্নি অৱ লাভ'ক লৈ মহাৰাষ্ট্ৰৰ ৰাজনীতিত নতুন বিতৰ্ক সৃষ্টি হৈছে। বীৰ সাভাৰকাৰ আৰু আৰ এছ এছ সম্পৰ্কে গ্ৰন্থখনত কৰা মন্তব্যৰ প্ৰতিবাদত একনাথ শিণ্ডেৰ নেতৃত্বাধীন শিৱসেনাই প্ৰতিবাদ সাব্যস্ত কৰিছে। শিৱসেনাৰ অভিযোগ, গ্ৰন্থখনৰ ২০১ আৰু ৪৪৩ নম্বৰ পৃষ্ঠাত সন্নিৱিষ্ট মন্তব্যই বীৰ সাভাৰকাৰৰ লগতে মাৰাঠী সমাজৰ গৌৰৱক অপমান কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4197

দেশ

৫৪ সংখ্যক জন্মদিনত দিল্লীত নীলিম মহন্তৰ হাতৰ পৰশত জিলিকি উঠিল জুবিন গাৰ্গৰ প্ৰতিচ্ছবি

NewzNow ডেস্ক | ১৮ নৱেম্বৰ ২০২৬, আবেলি ৫:৫১



জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ ৫৪ সংখ্যক জন্মদিন উপলক্ষে নতুন দিল্লীৰ হুমায়ুনপুৰত বিশেষ গ্ৰাফিটি অংকন কৰি শ্ৰদ্ধাঞ্জলি জনাইছে চিত্ৰশিল্পী নীলিম মহন্তই।

ছাফদৰজং এনক্লেভৰ অন্তৰ্গত হুমায়ুনপুৰৰ এটা ৰাজহুৱা স্থানৰ দেৱালত জুবিন গাৰ্গৰ প্ৰতিচ্ছবি অংকন কৰে শিল্পীগৰাকীয়ে। 'জেড জি ফৰএভাৰ' শীৰ্ষক শিল্পকৰ্মখনত জুবিন গাৰ্গক হাতত মাইক্ৰ'ফোন লৈ গান গাই থকা অৱস্থাত তুলি ধৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4193

দেশ

ৰাহুল গান্ধীৰ মাজত পৰিপক্কতাৰ অভাৱ: যোগী আদিত্যনাথ

NewzNow ডেস্ক | ১৮ নৱেম্বৰ ২০২৬, আবেলি ৫:৩৪



১৮ নৱেম্বৰ:

'ৰাহুল গান্ধীৰ মাজত পৰিপক্কতাৰ অভাৱ'-২০২৬ ৰ ১৮ নৱেম্বৰত উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে সামাজিক মাধ্যম এক্স (X) যোগে কয় যে ৰাহুল গান্ধীৰ মাজত পৰিপক্কতাৰ অভাৱ আছে।

কংগ্ৰেছ নেতা তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীৰ মাজত পৰিপক্কতাৰ অভাৱ আছে বুলি মন্তব্য কৰে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে। ৰাহুল গান্ধীৰ ৰাজনৈতিক আচৰণক লৈ প্ৰশ্ন উত্থাপন কৰি তেওঁ এই মন্তব্য কৰে।

শেহতীয়াকৈ ৰাহুল গান্ধীয়ে পিতৃ-মাতৃৰ ব্যক্তিগত জীৱনৰ স্মৃতি আৰু আমেৰিকাত ভাৰতৰ অৰ্থনীতি তথা নিবনুৱা সমস্যাক লৈ কৰা মন্তব্যক কেন্দ্ৰ কৰি বিজেপি নেতাসকলৰ সমালোচনা অব্যাহত আছে।

১৬ নৱেম্বৰত মাতৃ ছোনিয়া গান্ধীৰ গ্ৰন্থ 'বিলঙিং: এ জাৰ্নি অৱ লাভ'ৰ উন্মোচনী অনুষ্ঠানত ৰাহুল গান্ধীয়ে পিতৃ ৰাজীৱ গান্ধী আৰু মাতৃ ছোনিয়া গান্ধীৰ আন্তৰিক সম্পৰ্কৰ শৈশৱৰ স্মৃতি সুঁৱৰিছিল। তেওঁ কৈছিল যে, পৰিয়ালৰ আহাৰৰ সময়ত মাতৃয়ে পিতৃৰ কোলাত বহি থকা দৃশ্য তেওঁ সৰুৰে পৰা দেখি আহিছিল আৰু সেই পৰিৱেশকে স্বাভাৱিক বুলি ভাবিছিল।

এই মন্তব্যৰ পাছতে বিজেপিৰ একাংশ নেতাই ৰাজহুৱা মঞ্চত পৰিয়ালৰ ব্যক্তিগত স্মৃতি প্ৰকাশ কৰাক লৈ সমালোচনা কৰে। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মায়ো সামাজিক মাধ্যমত ৰাহুল গান্ধীক কটাক্ষ কৰে। ছোনিয়া গান্ধীক সম্বোধন কৰি কৰা এক পোষ্টত পুত্ৰৰ মন্তব্যই তেওঁক অস্বস্তিত পেলোৱা বুলি ইংগিত দিয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4184

উত্তৰ-পূৰ্বাঞ্চল

মণিপুৰত ইটাম নদীত সেনাৰ বাহন পৰি কেপ্টেইনৰ মৃত্যু, আহত ৩

NewzNow ডেস্ক | ১৮ নৱেম্বৰ ২০২৬, আবেলি ৪:৪৭



ইম্ফল পূব, ১৮ নৱেম্বৰ: মণিপুৰৰ ইম্ফল পূব জিলাৰ লামলাই-চাল্লৌ অঞ্চলত সেনাৰ এখন বাহন ইটাম নদীত পৰি কেপ্টেইন হনুমান ৰামৰ মৃত্যু হৈছে। এই দুৰ্ঘটনাত আন তিনিজন জোৱান আহত হৈছে।

১৮ নৱেম্বৰত সেনা জোৱান কঢ়িয়াই নিয়া বাহনখন নদীত পৰে। দুৰ্ঘটনাৰ পিছতে উদ্ধাৰ অভিযান চলাই বাহনখনত থকা জোৱানসকলক উদ্ধাৰ কৰি আহতসকলক ততাতৈয়াকৈ চিকিৎসালয়লৈ লৈ যোৱা হয়।

২৯ বছৰীয়া কেপ্টেইন হনুমান ৰাম গুৰুতৰভাৱে আহত হৈছিল। চিকিৎসাধীন অৱস্থাতে তেওঁৰ মৃত্যু হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4176

দেশ

'Vote Chor, Gaddi Chhod' ভিডিঅ' আঁতৰোৱাৰ আবেদন: শুকুৰবাৰে শুনানি গ্ৰহণ কৰিব উচ্চতম ন্যায়ালয়ে

NewzNow ডেস্ক | ১৮ নৱেম্বৰ ২০২৬, আবেলি ৪:২৬



নতুন দিল্লী, ১৮ নৱেম্বৰ: ইটালীৰ ৰাজনৈতিক নেতা জিয়াকোমো ফিলিবেকৰ 'Vote Chor, Gaddi Chhod' শ্লোগান সম্বলিত ভিডিঅ' সামাজিক মাধ্যমৰ পৰা আঁতৰোৱাৰ দাবীত দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে উচ্চতম ন্যায়ালয়ে। শুকুৰবাৰে এই আবেদনখন আদালতে শুনানি গ্ৰহণ কৰিব।

বুধবাৰে ভাৰতৰ মুখ্য ন্যায়াধীশ সূৰ্য কান্ত, ন্যায়াধীশ জয়মাল্য বাগচী আৰু ন্যায়াধীশ ভি মোহনাৰে গঠিত বিচাৰপীঠৰ সন্মুখত আবেদনখন জৰুৰীভাৱে শুনানিৰ বাবে উত্থাপন কৰা হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4156

দেশ

কুলগামত লস্কৰ-ই-তৈয়বাৰ সদস্য লতিফ ভাট নিহত

শাহ্ আলম | ১৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৫২



শ্ৰীনগৰ, ১৮ নৱেম্বৰ: জম্মু-কাশ্মীৰৰ কুলগামত নিৰাপত্তা বাহিনীৰ এক অভিযানত লস্কৰ-ই-তৈয়বাৰ সদস্য লতিফ ভাট নিহত হৈছে। নিৰাপত্তা সংস্থাই ২২ বছৰীয়া লতিফক শ্ৰেণী-এৰ সন্ত্ৰাসবাদী হিচাপে চিহ্নিত কৰিছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4133

অসম

'বিজ্ঞানে আনিলে জোৱাৰ' বিষয়ত সদৌ অসমভিত্তিক ৰচনা প্ৰতিযোগিতা

NewzNow ডেস্ক | ১৮ নৱেম্বৰ ২০২৬, নিশা ৭:৪৪



গুৱাহাটী, ১৮ নৱেম্বৰ: নৱপ্ৰজন্মৰ মাজত বৈজ্ঞানিক মানসিকতা গঢ়ি তোলা আৰু বিজ্ঞানচৰ্চাৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰাৰ লক্ষ্যৰে 'বৰ্ণ'ই সদৌ অসমভিত্তিক ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4264

দেশ

'ভাৰতত হোৱা ৪০ শতাংশ বায়ু প্ৰদূষণৰ বাবে দায়ী মই' - কেন্দ্ৰীয় পৰিবহন মন্ত্ৰী নীতিন গাডকাৰী

NewzNow ডেস্ক | ১৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:২৬



নতুন দিল্লী, ১৮ নৱেম্বৰ:

'ভাৰতত হোৱা ৪০ শতাংশ বায়ু প্ৰদূষণৰ বাবে দায়ী মই' নিজকে দায়ী সজালে কেন্দ্ৰীয় পৰিবহন মন্ত্ৰী নীতিন গাডকাৰীয়ে?

এই মন্তব্যটো কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে ২০২৬ চনৰ ১৭ নৱেম্বৰত নতুন দিল্লীত অনুষ্ঠিত হোৱা ১৪ সংখ্যক চি আই আই (CII) বায়'এনার্জি সম্মিলনত ভাষণ দিওঁতে তেওঁ দেশৰ বায়ু প্ৰদূষণৰ ক্ষেত্ৰত পৰিবহণ খণ্ডৰ ভূমিকাৰ কথা উল্লেখ কৰি কয়।


কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে ভাৰতত হোৱা প্ৰায় ৪০ শতাংশ বায়ু প্ৰদূষণৰ বাবে নিজকে দায়ী বুলি মন্তব্য কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4069

অসম

আন্তঃৰাষ্ট্ৰীয় দেউচী-ভাইলী প্ৰতিযোগিতাত বিহালীৰ "আমা কলা কুঞ্জ"ৰ প্ৰথম স্থান*

মিন্টু বৰা | ১৮ নৱেম্বৰ ২০২৬, নিশা ৭:১৪




আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বিহালীলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে বিহালীৰ সাংস্কৃতিক দল 'আমা কলা কুঞ্জ'।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4236

মনোৰঞ্জন

৩ ডিচেম্বৰত মুক্তি পাব 'পঞ্চায়ত'ৰ পঞ্চম ছিজন, পুনৰ উভতিব ফুলেৰাৰ চিনাকি চৰিত্ৰসমূহ

NewzNow ডেস্ক | ১৮ নৱেম্বৰ ২০২৬, নিশা ৭:১৫



নতুন দিল্লী, ১৮ নৱেম্বৰ: জনপ্ৰিয় ৱেব ছিৰিজ 'পঞ্চায়ত'ৰ পঞ্চম ছিজন অহা ৩ ডিচেম্বৰত প্ৰাইম ভিডিঅ'ত মুক্তি পাব। ছিৰিজখনৰ নতুন পোষ্টাৰ প্ৰকাশ কৰি মুক্তিৰ তাৰিখ ঘোষণা কৰা হৈছে।

পোষ্টাৰৰ লগত দিয়া বাৰ্তাত কোৱা হৈছে যে, ফুলেৰা গাঁৱত এইবাৰো থাকিব সংঘাত আৰু মৰমৰ কাহিনী। নতুন ছিজনত গাঁওখনৰ চিনাকি চৰিত্ৰসমূহক পুনৰ দেখা পাব দৰ্শকে।

পঞ্চম ছিজনত জিতেন্দ্ৰ কুমাৰ, ৰঘুবীৰ যাদৱ, নীনা গুপ্তা আৰু অশোক পাঠকক পুনৰ তেওঁলোকৰ চিনাকি চৰিত্ৰত দেখা যাব।

চতুৰ্থ ছিজনৰ শেষত ফুলেৰা গাঁৱৰ ৰাজনীতিত ডাঙৰ পৰিৱৰ্তন ঘটিছিল। নিৰ্বাচনত প্ৰধানজী আৰু মঞ্জু দেৱীৰ পৰাজয়ৰ পিছত ক্ৰান্তি দেৱী গাঁওখনৰ নতুন প্ৰধান হিচাপে নিৰ্বাচিত হৈছিল। তেওঁৰ স্বামী বনৰাকাছেও নতুন ক্ষমতাকেন্দ্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল।

নতুন ছিজনৰ কাহিনী এই ৰাজনৈতিক পৰিৱৰ্তনক কেন্দ্ৰ কৰি আগবঢ়াৰ সম্ভাৱনা আছে। নতুন প্ৰধানৰ অধীনত সচিবজী অৰ্থাৎ অভিষেক ত্ৰিপাঠীৰ কাম-কাজত নতুন প্ৰত্যাহ্বান আহিব। গাঁৱৰ আধৰুৱা কামসমূহ সম্পূৰ্ণ কৰাৰ লগতে এমবিএ কৰাৰ সপোন পূৰণৰ প্ৰস্তুতিও চলাব অভিষেকে। প্ৰধানজী আৰু মঞ্জু দেৱীৰ পৰাজয়ৰ পিছৰ জীৱনো নতুন ছিজনৰ অন্যতম আকৰ্ষণ হ'ব।

২০২০ চনত আৰম্ভ হোৱা 'পঞ্চায়ত' ৱেব ছিৰিজখনে সহজ-সৰল গ্ৰাম্য জীৱন, হাস্যৰস আৰু চৰিত্ৰসমূহৰ জৰিয়তে দৰ্শকৰ মাজত বিশেষ জনপ্ৰিয়তা লাভ কৰিছিল। ২০২২ চনত দ্বিতীয় ছিজন, ২০২৪ চনত তৃতীয় ছিজন আৰু তাৰ পিছত চতুৰ্থ ছিজন মুক্তি পাইছিল।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4248

অসম

হাওৰাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্রাপ্ত শিক্ষক মহম্মদ নুৰুল ইছলাম চৌধুৰীৰ দেহাৱসান

খগেশ্বৰ দাস | ১৮ নৱেম্বৰ ২০২৬, আবেলি ৫:৫৭



হাওৰাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্রাপ্ত হিন্দী শিক্ষক মহম্মদ নুৰুল ইছলাম চৌধুৰীৰ পৰলোকপ্রাপ্তি ঘটিছে। যোৱা ১৭ নৱেম্বৰৰ নিশা ১১.৩০ বজাত তেখেতে শেষ নিশ্বাস ত্যাগ কৰে। তেখেতৰ বিয়োগত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

দীর্ঘদিন ধৰি হাওৰাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নিষ্ঠা আৰু সততাৰে শিক্ষকতা কৰা মহম্মদ নুৰুল ইছলাম চৌধুৰীয়ে ২০০৯ চনৰ ১ নৱেম্বৰত চাকৰি জীৱনৰ পৰা অৱসৰ গ্রহণ কৰিছিল। বিদ্যালয়খনৰ শৈক্ষিক ক্ষেত্রখনলৈ তেখেতে আগবঢ়োৱা অৱদান সহকর্মীসকলৰ লগতে ছাত্র-ছাত্রীৰ মাজত স্মৰণীয় হৈ ৰ'ব।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/4188

অসম

দিখৌ নৈত জল সত্যাগ্রহেৰে অবৈধ খনন বন্ধৰ দাবী

মুস্তাক আহমেদ | ১৮ নৱেম্বৰ ২০২৬, আবেলি ৫:০৭



শিৱসাগৰ, ১৮ নৱেম্বৰ: চুবুৰীয়া নাগালেণ্ডত অবৈধ বালি, শিল আৰু কয়লা খনন বন্ধ কৰাৰ দাবীত শিৱসাগৰৰ দিখৌ নৈত জল সত্যাগ্রহ কার্যসূচী ৰূপায়ণ কৰিছে অসম যুৱ ছাত্র সন্মিলনী আৰু সদৌ অসম অনুসূচিত জাতি ছাত্র সন্থাই।

দুয়োটা সংগঠনৰ নেতৃত্বই নৈখনত নামি এই অভিনৱ প্রতিবাদ সাব্যস্ত কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/4180

অসম

নির্বাচন আয়োগক লৈ বিৰোধীৰ অভিযোগৰ সমালোচনা 'প্রবুদ্ধ নাগৰিক সভা'ত

বিজয় সূত্রধৰ | ১৮ নৱেম্বৰ ২০২৬, আবেলি ৪:৪৭



ডিগবৈ, ১৮ নৱেম্বৰ: ডিগবৈ বিধানসভা সমষ্টিভিত্তিক নাগৰিক সমাজৰ উদ্যোগত 'প্রবুদ্ধ নাগৰিক সভা' এখন লুইত শিল্পী সমাজৰ প্রেক্ষাগৃহত অনুষ্ঠিত হয়। সভাত নির্বাচন আয়োগৰ কর্মপদ্ধতি, নীতি-নিয়মক লৈ বিৰোধী দলসমূহে উত্থাপন কৰা অভিযোগৰ তীব্র সমালোচনা কৰে শাসকীয় পক্ষৰ বক্তাসকলে।

সভাত উপস্থিত থাকি তিনিচুকীয়া সমষ্টিৰ বিধায়ক পুলক গোঁহাইয়ে ভাৰতবর্ষক স্বাধীনতাৰ পিছত এখন অগ্রণী দেশ হিচাপে প্রতিষ্ঠা কৰাৰ প্রসংগ উল্লেখ কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/4165

অসম

দিখৌ নদীৰ বুকুত পানীত নামি 'জল সত্যাগ্রহ' (Water Protest) কার্যসূচী

NewzNow ডেস্ক | ১৮ নৱেম্বৰ ২০২৬, আবেলি ৪:৪৬



শিৱসাগৰ, ১৮ নৱেম্বৰ:

দিখৌ নদী আৰু সীমান্তৱর্তী এলেকাত চলি থকা সকলো ধৰণৰ অবৈধ বালি, শিল আৰু কয়লা খনন অনতিপলমে বন্ধ কৰিবলৈ অসম চৰকাৰক কঠোৰ পদক্ষেপ গ্রহণৰ দাবী জনাই পানীত নামি 'জল সত্যাগ্রহ' (Water Protest) কার্যসূচীৰে এক অ...

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/4155

অসম

শিৱসাগৰৰ ছাত্ৰী নিবাসত অঘটনঃ কি হৈছিল পৰিস্মিতাৰ সৈতে?

NewzNow ডেস্ক | ১৮ নৱেম্বৰ ২০২৬, আবেলি ৪:২৬



শিৱসাগৰ, ১৮ নৱেম্বৰ: শিৱসাগৰ নগৰৰ বাবুপট্টিস্থিত ভিজন মার্কেট ছাত্ৰী নিবাসত এগৰাকী ছাত্ৰীৰ অস্বাভাৱিক মৃত্যুক কেন্দ্ৰ কৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। মৃত ছাত্ৰীগৰাকী জাঁজী আমগুৰিৰ পৰিস্মিতা দত্ত।

তেওঁ শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ বি কম তৃতীয় ষান্মাসিকৰ ছাত্ৰী আছিল। বিগত প্ৰায় এবছৰ ধৰি তেওঁ উক্ত ছাত্ৰী নিবাসতে বাস কৰি আহিছিল।

প্ৰাপ্ত তথ্য অনুসৰি, বুধবাৰে পুৱা প্ৰায় ১২ বজালৈকে পৰিস্মিতাৰ কোঠাৰ দুৱাৰ বন্ধ হৈ থকাত ছাত্ৰী নিবাসটোৰ আন আবাসীসকলৰ সন্দেহ হয়। পিছত দুৱাৰ খুলি কোঠাটোৰ ভিতৰত প্ৰৱেশ কৰাত ছাত্ৰীগৰাকীৰ নিথৰ দেহ প্ৰত্যক্ষ কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4153

অসম

ঘনকান্ত গগৈৰ মৃত্যুক লৈ দণ্ডাধীশ পৰ্যায়ৰ তদন্ত আৰম্ভ

NewzNow ডেস্ক | ১৮ নৱেম্বৰ ২০২৬, আবেলি ৪:০৩




শিৱসাগৰ, ৪ নৱেম্বৰ: গুৱাহাটীৰ হোটেল বিলাস ইনত সংঘটিত গুলীচালনাৰ মূল অভিযুক্ত ঘনকান্ত গগৈৰ আৰক্ষীৰ গুলীত মৃত্যুৰ ঘটনাক লৈ শিৱসাগৰ জিলা প্ৰশাসনে দণ্ডাধীশ পৰ্যায়ৰ তদন্ত আৰম্ভ কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4149

অসম

২৪ ডিচেম্বৰৰ পৰা খানাপাৰাত ১৪ দিনীয়া অসম গ্ৰন্থমেলা

NewzNow ডেস্ক | ১৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৫৬



১৮ নৱেম্বৰ:

২৪ ডিচেম্বৰৰ পৰা গুৱাহাটীৰ খানাপাৰাত অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। ১৪ দিনীয়া এই গ্ৰন্থমেলা ২০২৭ চনৰ ৬ জানুৱাৰীলৈকে চলিব।

খানাপাৰাস্থিত অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত গ্ৰন্থমেলাখনৰ আয়োজন কৰা হ'ব। অসম প্ৰকাশন পৰিষদ আৰু পাব্লিছাৰ্ছ এণ্ড বুক ছেলাৰ্ছ গীল্ড, নৰ্থ-ইষ্টৰ যৌথ উদ্যোগত এই গ্ৰন্থমেলাখন অনুষ্ঠিত হ'ব।

পূৰ্বে ১২ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা গ্ৰন্থমেলাখনৰ সময়সীমা এইবাৰ ১৪ দিনলৈ বৃদ্ধি কৰা হৈছে।

গ্ৰন্থমেলাত অসমৰ লগতে দিল্লী আৰু কলকাতাৰ প্ৰকাশন প্ৰতিষ্ঠানৰ বিপণীয়েও অংশগ্ৰহণ কৰিব।

গ্ৰন্থ বিপণিৰ উপৰি সাহিত্য আলোচনা, গ্ৰন্থ উন্মোচনী অনুষ্ঠান, কবি সন্মিলন, কৰ্মশালা আৰু বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হ'ব।

নতুন লেখকসকলক উৎসাহিত কৰাৰ বাবে ৪০ বছৰ অনূৰ্ধ্ব লেখকসকলৰ বাবে 'যুৱ লেখক বঁটা' প্ৰদান কৰা হ'ব। বঁটাপ্ৰাপকসকলে ২৫ হাজাৰ টকাৰ নগদ ধন লাভ কৰিব।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4136

অসম

ৰাজীৱ ভৱনত জুবিন গার্গৰ জন্মদিন পালন, ন্যায়ৰ দাবীত সৰৱ কংগ্রেছ

শ্বাহ আলম | ১৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৩৭



গুৱাহাটী, ১৮ নৱেম্বৰ: প্রাণৰ শিল্পী জুবিন গার্গৰ জন্মদিন উপলক্ষে মঙলবাৰে গুৱাহাটীৰ ৰাজীৱ ভৱনত শ্রদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে অসম প্রদেশ কংগ্রেছ কমিটীয়ে।

পুৱাৰ ভাগত অনুষ্ঠিত অনুষ্ঠানত শিল্পীগৰাকীৰ প্রতিচ্ছবিত পুষ্পাঞ্জলি অর্পণ আৰু বন্তি প্রজ্বলন কৰি শ্রদ্ধা নিবেদন কৰা হয়। অনুষ্ঠানত বিধায়িকা বেবী বেগম, প্রদেশ কংগ্রেছৰ জ্যেষ্ঠ নেতা তথা সাধাৰণ সম্পাদক বিপুল গগৈ, মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্রত বৰা, জ্যেষ্ঠ কংগ্রেছ নেতা গুণকান্ত গগৈ, মইনাজান বেগমকে ধৰি শতাধিক দলীয় নেতা-কর্মীয়ে অংশগ্রহণ কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/4129

অসম

দুলীয়াজানত তিনিজনক হত্যাৰ গোচৰত দুই অভিযুক্তক ৭ দিনৰ আৰক্ষী জিম্মালৈ প্রেৰণ

NewzNow ডেস্ক | ১৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৩২



ডিব্রুগড়, ১৮ নৱেম্বৰ: দুলীয়াজানত তিনিজন লোকক হত্যাৰ গোচৰত গ্রেপ্তাৰ হোৱা দুই অভিযুক্ত ৰাজু দাস আৰু আমিৰ দাসক ৭ দিনৰ আৰক্ষী জিম্মালৈ প্রেৰণ কৰিছে ডিব্রুগড় আদালতে।

আদালতত হাজিৰ কৰোৱাৰ পিছত তদন্তৰ স্বার্থত অভিযুক্ত দুজনক আৰক্ষীৰ জিম্মালৈ প্রেৰণৰ নির্দেশ দিয়া হয়। এই হত্যাকাণ্ডই সমগ্র অঞ্চলটোত তীব্র চাঞ্চল্যৰ সৃষ্টি কৰাৰ মাজতে আৰক্ষীয়ে গোচৰটোৰ তদন্ত অধিক আগবঢ়াই নিছে।

দুলীয়াজানৰ কমলাবাৰী অঞ্চলত অৱসৰপ্রাপ্ত অইল ইণ্ডিয়া কর্মচাৰী চন্দ্রকান্ত ভূঞা, তেওঁৰ পত্নী এলিজা ভূঞা আৰু কন্যা নিহাৰিকা ভূঞাৰ মৃতদেহ উদ্ধাৰ হৈছিল।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/4121

অসম

গৌৰৱোজ্জ্বল ৭৫ সংখ্যক বড়ো সাহিত্য সভাৰ প্রতিষ্ঠা দিৱসৰ জয়গানেৰে মুখৰিত হাওৰাঘাটৰ মেটেকা

খগেশ্বৰ দাস | ১৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৩৫



মাতৃভাষাৰ জয়গান আৰু স্বকীয় কৃষ্টিৰ সুবাস বিলাই পার্বত্য জিলা কার্বি আংলংৰ হাওৰাঘাটৰ সমীপবর্তী নমাটি পৰিষদীয় সমষ্টিৰ অন্তর্গত মেটেকা গাঁৱৰ খেলপথাৰত সোমবাৰে সফলভাৱে সামৰণি পৰে বড়ো সাহিত্য সভাৰ ৭৫ সংখ্যক প্রতিষ্ঠা দিৱস (প্লেটিনাম জয়ন্তী) আৰু দৈমা দৈচা প্রাথমিক বড়ো সাহিত্য সভাৰ দ্বিতীয় সংখ্যক বার্ষিক অধিৱেশন।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/4109

অসম

কোকৰাঝাৰত জুবিন গার্গৰ ৫৪সংখ্যক জন্মদিন উদযাপন, জুবিনৰ সৃষ্টি আৰু আদর্শ সংৰক্ষণৰ বাবে ৩০ কোটি আবণ্টন হাগ্রামাৰ

NewzNow ডেস্ক | ১৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৫০




কোকৰাঝাৰ, ১৮ নৱেম্বৰ: শিল্পী জুবিন গার্গৰ ৫৪সংখ্যক জন্মদিন উপলক্ষে কোকৰাঝাৰত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/4117

অসম

মুকালমুৱাৰ চান্দাত আৰক্ষীৰ পোছাকত ডকাইতি! মাতৃ-পুত্ৰক বান্ধি ঘৰত লুটপাত

Ajij Ali | ১৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৪৭



মুকালমুৱা, ১৮ নৱেম্বৰ: নলবাৰী জিলাৰ মুকালমুৱাৰ চান্দাত আৰক্ষীৰ ইউনিফৰ্ম পিন্ধা ডকাইতৰ এটাই দলে মাতৃ-পুত্ৰক হাত-ভৰি আৰু মুখ বান্ধি থৈ নগদ ধনসহ তিনিটা মোবাইল ফোন লুটি নিয়াৰ অভিযোগ উঠিছে। ঘটনাটোৱে অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

যোৱা নিশা প্ৰায় ২ বজাত এই ঘটনা সংঘটিত হয়। কামৰূপ জিলাৰ আলিকাষৰ বাসিন্দা তফিকুৰ ৰহমানৰ পত্নী আৰু পুত্ৰ ব্যৱসায় সংক্ৰান্তত চান্দাত ভাৰাতীয়া হিচাপে বাস কৰি আহিছিল। ঘটনাৰ সময়ত ঘৰত মাতৃ-পুত্ৰ দুয়োগৰাকী অকলে আছিল।

অভিযোগ অনুসৰি, ডকাইতৰ দলটোৱে ঘৰৰ তলা ভাঙি ভিতৰত প্ৰৱেশ কৰে। আৰক্ষীৰ ইউনিফৰ্ম পিন্ধা দলটোৱে মাতৃ-পুত্ৰক হাত-ভৰি আৰু মুখ বান্ধি আৱদ্ধ কৰি ৰাখে।

ইয়াৰ পাছতে ঘৰৰ পৰা নগদ ধনসহ তিনিটা মোবাইল ফোন লুটি লৈ যায় বুলি জানিব পৰা গৈছে। লুটি নিয়া ধনৰ পৰিমাণ এতিয়ালৈকে জানিব পৰা হোৱা নাই।

ঘটনাৰ খবৰ লাভ কৰাৰ পাছতে মুকালমুৱা আৰক্ষী ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষীয়ে ঘৰটো পৰিদৰ্শন কৰি তদন্ত আৰম্ভ কৰিছে যদিও ডকাইতৰ দলটোৰ পৰিচয় এতিয়াও জানিব পৰা হোৱা নাই।

আৰক্ষীৰ পোছাক পিন্ধি ডকাইতি সংঘটিত কৰাৰ অভিযোগে চান্দা অঞ্চলৰ বাসিন্দাসকলৰ মাজত আতংকৰ সৃষ্টি কৰিছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4113

অসম

মহং গাঁৱত ভয়ংকৰ পথ দুৰ্ঘটনা! নদীত পৰিল বাহন, এজনৰ মৃত্যু

শ্যাম যাদৱ | ১৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৩৬



তিনিচুকীয়া, ১৮ নৱেম্বৰ: তিনিচুকীয়া জিলাৰ বৰডুমচাৰ সমীপৱৰ্তী মহং গাঁৱত আজি পুৱাই সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। নিৰ্মীয়মাণ কালভাৰ্টৰ সমীপত নিয়ন্ত্ৰণ হেৰুৱাই এখন বাহন পথৰ পৰা দ খাৱৈত পৰি নদীত বাগৰি পৰে। এই দুৰ্ঘটনাত এজন লোকৰ মৃত্যু হোৱা ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পেলাইছে।

দুৰ্ঘটনাগ্ৰস্ত বাহনখনৰ নম্বৰ AR 12A 4752। স্থানীয় লোকৰ ভাষ্য অনুসৰি, বাহনখনত মুঠ তিনিজন লোক আছিল। দুৰ্ঘটনাটো সংঘটিত হোৱাৰ পিছতে বাহনখনত থকা দুজন লোক ঘটনাস্থলীৰ পৰা আঁতৰি যায়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4093

অসম

ৰাণী নৰহৰ বিৰুদ্ধে দুৰ্নীতিৰ গোচৰ চলিব বিশেষ ন্যায়াধীশৰ আদালতত

শাহ্ আলম | ১৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৩৫



গুৱাহাটী, ১৮ নৱেম্বৰ: প্ৰাক্তন সাংসদ ৰাণী নৰহৰ বিৰুদ্ধে উত্থাপিত দুৰ্নীতিৰ অভিযোগৰ গোচৰ এতিয়া বিশেষ ন্যায়াধীশৰ আদালতত আগবাঢ়িব।

সাংসদ হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা সময়ত জনকল্যাণমূলক আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত অনিয়ম সংঘটিত...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4105

অসম

চাইকেলেৰে এভাৰেষ্ট বেছ কেম্পলৈ মেৰাপানীৰ দুই যুৱক

NewzNow ডেস্ক | ১৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:২৪



গুৱাহাটী, ১৮ নৱেম্বৰ:

চাইকেলেৰে মাউণ্ট এভাৰেষ্ট বেছ কেম্পলৈ ৰূপম গগৈ,সৌৰভ দাসৰ যাত্ৰা। জুবিন ক্ষেত্ৰত জুবিন গাৰ্গক সেৱা কৰি যাত্ৰা আৰম্ভ কৰিছে দুই যুৱকে। গোলাঘাট জিলাৰ মেৰাপানীৰ যুৱক ৰূপম গগৈ,সৌৰভ দাস। প্ৰায় ৩ মাহ যাত্ৰা কৰি উপস্থিত হ'বগৈ মাউণ্ট এভাৰেষ্ট বেছ কেম্পত।

গোলাঘাট জিলাৰ মেৰাপানীৰ দুই যুৱক ৰূপম গগৈ আৰু সৌৰভ দাসে চাইকেলেৰে বিশ্বৰ সৰ্বোচ্চ শৃংগ মাউণ্ট এভাৰেষ্টৰ বেছ কেম্পলৈ যাত্ৰা আৰম্ভ কৰিছে। জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনাই তেওঁলোকে গুৱাহাটীৰ জুবিন ক্ষেত্ৰৰ পৰা এই বিশেষ অভিযানৰ শুভাৰম্ভ কৰে।

প্ৰায় তিনি মাহৰ ভিতৰত এভাৰেষ্ট বেছ কেম্পত উপস্থিত হোৱাৰ লক্ষ্য লৈ আগবাঢ়িছে যুৱক দুজন। দুৰ্গম পাহাৰীয়া পথ আৰু প্ৰতিকূল বতৰ অতিক্ৰম কৰি লক্ষ্যস্থানত উপস্থিত হোৱাটো এই অভিযানৰ অন্যতম প্ৰত্যাহ্বান হ'ব।

ৰূপম গগৈয়ে নিজৰ চাইকেলখনত ভাৰতীয় জাতীয় পতাকাৰ লগতে 'জয় আই অসম' আৰু 'জয় জুবিনদা' লিখা অসমীয়া গামোচা লৈ এই যাত্ৰাৰ জৰিয়তে জুবিন গাৰ্গৰ ন্যায়ৰ দাবীৰ লগতে ড্ৰাগছ আৰু নিচাজাতীয় দ্ৰব্য বৰ্জন তথা গছপুলি ৰোপণৰ জৰিয়তে পৰিৱেশ সুৰক্ষাৰ বাৰ্তা সমাজলৈ প্ৰচাৰ কৰিব বিচাৰিছে ।

অভিযানত যুৱক দুজনে ভাৰতীয় জাতীয় পতাকাৰ লগতে 'জয় আই অসম' আৰু 'জয় জুবিনদা' লিখা অসমীয়া গামোচা কঢ়িয়াই নিছে। এভাৰেষ্ট বেছ কেম্পত অসমৰ স্বাভিমানৰ প্ৰতীক উৰুৱাই অসমৰ সংস্কৃতি আৰু পৰিচয় বিশ্বৰ সন্মুখত তুলি ধৰাৰো লক্ষ্য লৈছে তেওঁলোকে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4065

অসম

গানছ এন' ৰ'জৰ সংগীতানুষ্ঠানৰ পৰা উভতি অহা সাতজনীয়া দলৰ বিৰুদ্ধে যান-বাহন আৰক্ষীৰ কনিষ্টবলক প্ৰহাৰৰ অভিযোগ

NewzNow ডেস্ক | ১৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:১০



গুৱাহাটী, ১৮ নৱেম্বৰ: খানাপাৰাত গানছ এন' ৰ'জৰ সংগীতানুষ্ঠানৰ পৰা উভতি অহা সাতজনীয়া এটা দলৰ বিৰুদ্ধে কৰ্তব্যৰত যান-বাহন আৰক্ষীৰ কনিষ্টবলক প্ৰহাৰ কৰাৰ অভিযোগ উঠিছে। মঙলবাৰে নিশা সংঘটিত ঘটনাটোক কেন্দ্ৰ কৰি দিছপুৰ আৰক্ষীয়ে এজন যুৱকক আটক কৰিছে।

ঘটনাৰ সময়ত দিছপুৰ যান-বাহন শাখাৰ কনিষ্টবল টিংকু মণি ডেকা খানাপাৰা অঞ্চলত যান-বাহন নিয়ন্ত্ৰণৰ দায়িত্বত আছিল। সেই সময়তে দলটোৱে চলন্ত বাহনৰ মাজেৰে বিপজ্জনকভাৱে পথ পাৰ হ'বলৈ চেষ্টা কৰিছিল বুলি অভিযোগ।

কনিষ্টবল ডেকাই তেওঁলোকক বাধা দিয়াৰ পাছতে বাক-বিতণ্ডাৰ সূত্ৰপাত হয়। পিছলৈ পৰিস্থিতি উত্তপ্ত হৈ পৰাত দলটোৰ একাংশই কনিষ্টবলজনক প্ৰহাৰ কৰে বুলি অভিযোগ উত্থাপিত হৈছে।

প্ৰাথমিক তথ্য অনুসৰি, দলটোৰ সদস্যসকল সংগীতানুষ্ঠানৰ পৰা উভতি আহিছিল আৰু তেওঁলোক মদ্যপান কৰি আছিল বুলি অভিযোগ উঠিছে। ঘটনাৰ পাছতে কনিষ্টবল ডেকাই মঙলবাৰে নিশা দিছপুৰ আৰক্ষী থানাত অভিযোগ দাখিল কৰে। অভিযোগৰ ভিত্তিত আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা এজন যুৱকক আটক কৰিছে। ঘটনাটোৰ সৈতে জড়িত আন লোকসকলৰ পৰিচয় নিশ্চিতকৰণ আৰু সন্ধানৰ বাবে আৰক্ষীৰ তদন্ত অব্যাহত আছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4061

অসম

বাৰে বাৰে হেলমেট নিপিন্ধিলে বাতিল হ'ব পাৰে চালকৰ অনুজ্ঞাপত্ৰ, বাহনৰ পঞ্জীয়ন

NewzNow ডেস্ক | ১৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৫৭



গুৱাহাটী, ১৮ নৱেম্বৰ: দুচকীয়া বাহন চলোৱাৰ সময়ত হেলমেট নিপিন্ধি বাৰে বাৰে নিয়ম উলংঘা কৰা চালকৰ অনুজ্ঞাপত্ৰ আৰু বাহনৰ পঞ্জীয়ন বাতিল কৰা হ'ব পাৰে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সকীয়াই দিছে। পথ-সুৰক্ষাৰ নিয়ম মানি নচলা চালকৰ বিৰুদ্ধে আগন্তুক দিনত অধিক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও তেওঁ জনায়।

মঙলবাৰে নিশা সামাজিক মাধ্যমযোগে দিয়া এক বাৰ্তাত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, হেলমেট নিপিন্ধি দুচকীয়া বাহন চলোৱাক কেৱল জৰিমনা ভৰিবলগীয়া সাধাৰণ নিয়ম উলংঘা হিচাপে আৰু গণ্য কৰা নহ'ব।

এটা শেহতীয়া প্ৰতিবেদনৰ তথ্য উল্লেখ কৰি তেওঁ কয় যে, দুচকীয়া বাহনৰ দুৰ্ঘটনাত মৃত্যু হোৱা লোকৰ ৬০.১ শতাংশই হেলমেট পৰিধান কৰা নাছিল। এই তথ্যই হেলমেট ব্যৱহাৰৰ প্ৰয়োজনীয়তা পুনৰ স্পষ্ট কৰিছে বুলি তেওঁ উল্লেখ কৰে।

বাহন চলোৱা ব্যক্তিজনৰ লগতে পিছৰ আসনত বহা যাত্ৰীগৰাকীয়েও হেলমেট পৰিধান কৰাটো বাধ্যতামূলক বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে সোঁৱৰাই দিয়ে।

হেলমেট পৰিধানৰ নিয়ম কঠোৰভাৱে বলৱৎ কৰিবলৈ যান-বাহন আইন ৰূপায়ণৰ দায়িত্বত থকা বিভাগ আৰু সংস্থাসমূহক নিৰ্দেশ দিয়া হৈছে। বাৰে বাৰে নিয়ম উলংঘা কৰা লোকৰ বিৰুদ্ধে জৰিমনাৰ উপৰি অনুজ্ঞাপত্ৰ আৰু বাহনৰ পঞ্জীয়ন বাতিলৰ ব্যৱস্থাও গ্ৰহণ কৰা হ'ব পাৰে বুলি তেওঁ কয়।

বুধবাৰে ৰাজ্যজুৰি আৰম্ভ কৰা যান-বাহন আইন উলংঘাৰ বিৰুদ্ধে অভিযান কেৱল আৰম্ভণিহে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে, আগন্তুক দিনতো ৰাজ্যৰ বিভিন্ন স্থানত এই...

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4057

মনোৰঞ্জন

গুৱাহাটীত গানছ এন' ৰ'জেছৰ সংগীতানুষ্ঠানত ৩০ হাজাৰৰো অধিক অনুৰাগী

শাহ আলম | ১৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৩৭



গুৱাহাটী, ১৮ নৱেম্বৰ: বিশ্বখ্যাত আমেৰিকান ৰক বেণ্ড গানছ এন' ৰ'জেছে গুৱাহাটীত প্ৰথমবাৰৰ বাবে সংগীতানুষ্ঠান অনুষ্ঠিত কৰে। উত্তৰ-পূৰ্বাঞ্চলত বেণ্ডটোৰ এয়াই প্ৰথম অনুষ্ঠান আছিল।

খানাপাৰাস্থিত পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত অনুষ্ঠানটোত ৩০ হাজাৰৰো অধিক সংগীতপ্ৰেমী উপস্থিত থাকে। অসমৰ লগতে বিভিন্ন ৰাজ্যৰ অনুৰাগী অনুষ্ঠান উপভোগ কৰিবলৈ গুৱাহাটীত সমবেত হয়।

বেণ্ডটোৰ প্ৰধান কণ্ঠশিল্পী এক্সল ৰোজ, গীটাৰবাদক ছেলছ আৰু বেছবাদক ডাফ মেককাগানে মঞ্চত জনপ্ৰিয় গীতসমূহ পৰিৱেশন কৰে। 'ৱেলকাম টু দ্য জাংগল', 'ছুইট চাইল্ড অ' মাইন', 'পেৰাডাইজ চিটি' আৰু 'নৱেম্বৰ ৰেইন'ৰ সুৰত হাজাৰ হাজাৰ অনুৰাগীয়ে একেলগে নাচি-গাই আনন্দত মতলীয়া হৈ পৰে।

অসমৰ বিভিন্ন জিলাৰ উপৰি শ্বিলং, ডিমাপুৰ, ইটানগৰ, আইজল আৰু অন্যান্য অঞ্চলৰ পৰাও সংগীতপ্ৰেমীসকল গুৱাহাটীত উপস্থিত হয়। বহু অনুৰাগীৰ বাবে কিংবদন্তি বেণ্ডটোক নিজৰ চহৰতে জীৱন্তে মঞ্চত দেখা পোৱাটো বহুদিনীয়া সপোন পূৰণৰ মুহূৰ্ত আছিল।

বৃহৎ ভিৰৰ মাজতো নিৰাপত্তা, যান-বাহন নিয়ন্ত্ৰণ আৰু অনুষ্ঠান পৰিচালনাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। অনুষ্ঠানটোৱে গুৱাহাটীৰ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বৃহৎ সংগীতানুষ্ঠান আয়োজনৰ সক্ষমতা প্ৰদৰ্শন কৰাৰ লগতে অসমৰ সাংস্কৃতিক পৰ্যটন আৰু বৃহৎ অনুষ্ঠানকেন্দ্ৰিক অৰ্থনীতিৰ সম্ভাৱনাৰ ক্ষেত্ৰতো উল্লেখযোগ্য সংযোজন ঘটালে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4049

আন্তঃৰাষ্ট্ৰীয়

ফ্লেগ মিটিঙৰ পাছত ভাৰতলৈ উভতিল বাংলাদেশত আটক বিএছএফ জোৱান

শ্বাহ আলম | ১৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:২৪



মেঘালয়, ১৮ নৱেম্বৰ: ভুলবশতঃ আন্তঃৰাষ্ট্ৰীয় সীমান্ত পাৰ হৈ বাংলাদেশত প্ৰৱেশ কৰা সীমা সুৰক্ষা বাহিনীৰ এজন জোৱানক বাংলাদেশ সীমান্তৰক্ষী বাহিনী বিজিবিয়ে আটক কৰাৰ পাছত ফ্লেগ মিটিঙৰ জৰিয়তে ভাৰতলৈ ঘূৰাই অনা হয়। মেঘালয়ৰ পশ্চিম জয়ন্তীয়া পাহাৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্তত মঙলবাৰে এই ঘটনা সংঘটিত হয়।

জানিব পৰা মতে, মঙলবাৰে দুপৰীয়া প্ৰায় ১২.৩০ বজাত জোৱানজনে জোৱাই অঞ্চলৰ সীমান্ত পাৰ হৈ বাংলাদেশৰ ছিলেট জিলাত প্ৰৱেশ কৰিছিল।


বাকী অংশ ৱেবছাইটত

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4044

মতামত

দিব্যাংগৰ সুবিধা বিচাৰি প্ৰধানমন্ত্ৰী-মুখ্যমন্ত্ৰীলৈ পত্ৰ প্ৰেৰণ হোজাইৰ শিক্ষকৰ

খগেশ্বৰ দাস | ১৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:০৭



হাওৰাঘাট,খগেশ্বৰ দাস,১৩ নৱেম্বৰ: হোজাইৰ এগৰাকী বিশিষ্ট তথা ভাৰতীয় পুনৰ্বাসন পৰিষদ (RCI)-ৰ পঞ্জীয়নভুক্ত বিশেষ শিক্ষাবিদ জয়ন্ত চৌধুৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মালৈ এক বিশেষ পত্ৰ প্ৰেৰণ কৰে।

বাকী অংশ ৱেবছাইটত

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4006

অসম

শিৱসাগৰত আটাছুৰ প্ৰতিবাদ, যোগেন মহনৰ প্ৰতিকৃতি দাহ

NewzNow ডেস্ক | ১৮ নৱেম্বৰ ২০২৬, পুৱা ১১:৫৮



শিৱসাগৰ, ১৮ নৱেম্বৰ:

শিৱসাগৰৰ দৌলমুখ চাৰিআলিত আটাছুৰ উত্তাল প্ৰতিবাদ; মন্ত্ৰী যোগেন মহনৰ প্ৰতিকৃতি দাহ।আহোম জনগোষ্ঠীৰ মাজত বিভাজন সৃষ্টি কৰাৰ ষড়যন্ত্ৰ কৰাৰ অভিযোগ তুলি এই উত্তাল প্ৰতিবাদী কাৰ্যসূচী ।

আহোম জনগোষ্ঠীৰ মাজত বিভাজন সৃষ্টিৰ ষড়যন্ত্ৰ চলাৰ অভিযোগ উত্থাপন কৰি সদৌ টাই আহোম ছাত্ৰ সন্থাই চমুকৈ আটাছুৱে শিৱসাগৰ নগৰৰ দৌলমুখ চাৰিআলিত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে সাংসদ তথা মন্ত্ৰী যোগেন মহনৰ প্ৰতিকৃতি দাহ কৰি ক্ষোভ প্ৰকাশ কৰে।

আটাছুৰ অভিযোগ অনুসৰি, যোৱা দেওবাৰে মৰাণহাটৰ জজলীত অনুষ্ঠিত আহোম জনগোষ্ঠীৰ টাই-ম'সকলৰ অভিৱৰ্তনত গ্ৰহণ কৰা কেইবাটাও প্ৰস্তাৱে জনগোষ্ঠীটোৰ মাজত বিভাজন সৃষ্টি কৰিব পাৰে।

বিশেষকৈ আহোম জনগোষ্ঠীৰ অন্তৰ্ভুক্ত ফুকন, দেওধাই আৰু বাইলুংসকলক সুকীয়াকৈ জনজাতিকৰণৰ দাবীত প্ৰস্তাৱ গ্ৰহণ কৰাৰ বিৰোধিতা কৰে সংগঠনটোৱে। এই প্ৰস্তাৱৰ আঁৰত যোগেন মহনসহ একাংশ লোকৰ চক্ৰান্ত আছে বুলিও আটাছুৱে অভিযোগ তোলে।

প্ৰতিবাদস্থলীত শতাধিক আটাছু কৰ্মী আৰু বিষয়ববীয়াই বিভিন্ন শ্লোগান দিয়ে।

আহোম জনগোষ্ঠীৰ ঐক্য আৰু সংহতি বিনষ্ট কৰাৰ যিকোনো প্ৰচেষ্টা সহ্য কৰা নহ'ব বুলি সংগঠনটোৱে সকীয়াই দিয়ে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4036

অসম

ওদালগুৰিত চাহ শ্ৰমিকৰ সৈতে একেলগে পাত চিঙি দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰে মুখ্য পৰিচালকে

মিৰাজুল হোছেইন | ১৭ নৱেম্বৰ ২০২৬, নিশা ১১:১৪



ওদালগুৰি, : চাহ বাগিচাৰ শ্ৰমিকসকলৰ দৈনন্দিন কৰ্মজীৱন আৰু কষ্টৰ অভিজ্ঞতা ওচৰৰ পৰা উপলব্ধি কৰাৰ উদ্দেশ্যে ওদালগুৰি জিলাৰ ঔৰংগাজুলী চাহ বাগিচাৰ মুখ্য পৰিচালক দালজিৎ সিং মানে গ্ৰহণ কৰিছে এক ব্যতিক্ৰমী পদক্ষেপ। পুৱা ৮ বজাৰ পৰা শ্ৰমিকসকলৰ সৈতে একেলগে পাত ছিঙাৰ কামত অংশগ্ৰহণ কৰি তেওঁ দিনটোৰ কৰ্মব্যস্ততা অনুভৱ কৰে।

কেৱল পাত ছিঙাৰ কামতেই সীমাবদ্ধ নাথাকি পৰিচালকগৰাকীয়ে শ্ৰমিকসকলৰ সৈতে পাত ওজন কৰা প্ৰক্ৰিয়াতো অংশগ্ৰহণ কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4010

দেশ

ৰাস্তাত আৱৰ্জনা বুটলি পুত্ৰক পঢ়ুৱাইছিল মাতৃয়ে, আজি সেই পুত্ৰ IIT-ৰ পৰা গৈ হ'ল IFS বিষয়া!

NewzNow ডেস্ক | ১৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৫৮



১৮ নৱেম্বৰ , ২০২৬

ৰাস্তাত আৱৰ্জনা বুটলি পুত্ৰক পঢ়ুৱাইছিল মাতৃয়ে, আজি সেই পুত্ৰ IIT-ৰ পৰা গৈ হ'ল IFS বিষয়া! বস্তি অঞ্চলৰ পৰা IIT মাদ্ৰাজ আৰু তাৰ পিছত UPSC ক্ৰেক কৰি IFS বিষয়া হোৱা গৌতম পাডিভাৰৰ সংগ্ৰাম

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4077

জীৱনশৈলী

বৃশ্চিক ৰাশি: ১৯ নৱেম্বৰৰ দিনটোৰ পূৰ্বাভাস আৰু শুভ সময়

প্ৰত্যাশা কোঁৱৰ | ১৮ নৱেম্বৰ ২০২৬, নিশা ৭:২০



১৯ নৱেম্বৰ, ২০২৬, বৃহস্পতিবাৰৰ বাবে বৃশ্চিক ৰাশিৰ দৈনিক পূৰ্বাভাস অনুসৰি শাৰীৰিক আৰু মানসিক চাপ কিছু হ্ৰাস পাব পাৰে। অৱশ্যে অপ্ৰয়োজনীয় খৰচ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। আৰ্থিক দিশ মোটামুটি চলনসই থাকিব পাৰে।

আপোনজনক লৈ দুশ্চিন্তা দেখা দিব পাৰে। কথাবতৰাত সংযম নাৰাখিলে অকাৰণ তৰ্ক-বিতৰ্ক বা কাজিয়াত জড়িত হোৱাৰ আশংকা আছে। হঠাতে ধন বা সামগ্ৰীৰ ক্ষতি হ'ব পাৰে আৰু কোনোবাই মিছা অপবাদ দিব পাৰে।

আন কাৰোবাৰ ঘৰত হঠাতে আতিথ্য গ্ৰহণ কৰা বা ওচৰ-পাজৰৰ কোনো ঠাইলৈ ফুৰিবলৈ যোৱাৰ সম্ভাৱনা আছে। প্ৰেম-সম্পৰ্কৰ ক্ষেত্ৰত মানসিক চাপ কিছু কমিব পাৰে।

অমৃতযোগ পুৱা ৭টা ২৩ মিনিটলৈ থাকিব। পুনৰ দুপৰীয়া ১টা ১১ মিনিটৰ পৰা ২টা ৩৮ মিনিটলৈ, সন্ধিয়া ৫টা ৪১ মিনিটৰ পৰা ৰাতি ৯টা ১১ মিনিটলৈ, ৰাতি ১১টা ৪৯ মিনিটৰ পৰা ৩টা ১৯ মিনিটলৈ আৰু পুৱা ৪টা ১২ মিনিটৰ পৰা সূৰ্যোদয়লৈ অমৃতযোগ থাকিব।

বাৰবেলা বিয়লি ২টা ৫ মিনিটৰ পৰা সূৰ্যাস্তলৈকে থাকিব। কালৰাত্ৰিৰ সময় ৰাতি ১১টা ২১ মিনিটৰ পৰা ১২টা ৫৯ মিনিটলৈ। এই সময়ত শুভ কাম এৰাই চলিবলৈ পৰামৰ্শ দিয়া হৈছে।

শনিবাৰ আৰু মঙলবাৰে সপ্তাহত দুদিন কুকুৰক কুকুৰা বা খাহীৰ কেঁচা অথবা ৰন্ধা মাংসৰ এক টুকুৰা খুৱাবলৈ কোৱা হৈছে। ইয়াৰ ফলত বাধা-বিপত্তি, শাৰীৰিক অস্বস্তি আৰু অকাৰণ সমস্যাৰ পৰা সকাহ পোৱাৰ বিশ্বাস আছে।

পাতল ৰঙা, পাতল হালধীয়া, পাতল আকাশী আৰু বগা ৰঙৰ পোছাক অনুকূল বুলি ধৰা হৈছে। ঘৰ-দুৱাৰৰ ক্ষেত্ৰত আকাশী বাদ দি আন ৰংসমূহ ব্যৱহাৰ কৰিব পাৰি।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4256